# দুধনৈ মহাবিদ্যালয়ত সপ্তাহজোৰা 'শিক্ষক উৎকৰ্ষ কাৰ্যক্ৰম'ৰ আয়োজন

**গুৱাহাটী, ২০ নৱেম্বৰ ঃ** গোৱালপাৰা জিলাৰ দুধনৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰ্ণায়ক কোষৰ সহযোগত আই আই টি গুৱাহাটীৰ ইলেক্ট্ৰনিকছ আৰু আই চি টি একাডেমীৰ উদ্যোগত সপ্তাহজোৰা অনলাইন 'শিক্ষক উৎকৰ্ষ কাৰ্যক্ৰম'ৰ আয়োজন কৰা হৈছে। ভাৰত চৰকাৰৰ ইলেক্ট্ৰনিকছ আৰু তথ্য-প্ৰযুক্তি মন্ত্ৰালয়ে গ্ৰহণ কৰা পদক্ষেপৰ এক অংশ হিচাপে 'গৱেষণা আৰু লিখনিত তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ ব্যৱহাৰ' (Use of ICT in Research and Writing) শীৰ্ষক এই কাৰ্যক্ৰম অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। অহা ৩ জানুৱাৰী ২০২২ ৰ পৰা ৮ জানুৱাৰী ২০২২ লৈ অনলাইনযোগে হ'ব লগা এই কাৰ্যক্ৰমত বিশ্ববিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষকসকলৰ লগতে গৱেষক ছাত্ৰ-ছাত্ৰীয়েও বিনামূলীয়াকৈ অংশগ্ৰহণ কৰিব পাৰিব। ইচ্ছুক ব্যক্তিসকলক অহা ২৯ ডিচেম্বৰ ২০২১ ৰ ভিতৰত নাম পঞ্জীয়ন কৰিবৰ বাবে দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ললিত চন্দ্ৰ ৰাভা আৰু আভ্যন্তৰীণ গুণগত মাপ নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° বিদ্যুৎ কলিতাই আহ্বান জনাইছে। পঞ্জীয়নৰ বাবে আগ্ৰহীসকলে https://dudhnoicollege.ac.in নাইবা http://eict.iitg.ac.in ত লগ ইন কৰিব লাগিব। যিকোনো ধৰণৰ সহায়ৰ বাবে ৮৪৭২৯-৩০৮২৪, ৯৪৩৫৩-১৩৫৬৮ নম্বৰত যোগাযোগ কৰিব পাৰিব।